

NRC
NATIONAL REGISTER OF CITIZENS

# উপায়ুক্তৰ দ্বাৰা আবেদনকাৰীসকলৰ ঘৰে ঘৰে গৈ নথিপত্ৰৰ পুনঃ পৰীক্ষণ কৰা হ'ব

১। অসমত নাগৰিকপঞ্জী উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো নাগৰিকত্ব আইন, ১৯৫৫ আৰু নাগৰিকত্ব বিধি, ২০০৩ৰ ব্যৱস্থাৱলীৰ অধীনত **১৯৭১ চনৰ ২৪ মাৰ্চ** (মাজনিশা) পৰ্য্যন্ত নিৰ্ধাৰিত সময়সীমাক ভিত্তি কৰি অসম চুক্তিৰ সিদ্ধান্তমতে চলি আছে। উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্ত্বাৱধানত কৰি থকা হৈছে।

২। কিছুমান আবেদনপত্ৰৰ জিলা দণ্ডাধীশ (উপায়ুক্ত)ৰ দ্বাৰা পুনঃ পৰীক্ষণৰ প্ৰয়োজন হ'ব পাৰে।

৩। নাগৰিকত্ব বিধি, ২০০৩ৰ ব্যৱস্থাৱলীৰ অধীনত যিবোৰ ক্ষেত্ৰত জিলা দণ্ডাধীশ (উপায়ুক্ত)ৰ দ্বাৰা অনুসন্ধান / তদন্ত আৰু পুনঃ পৰীক্ষণৰ প্ৰয়োজন হ'ব, সেইবোৰ ক্ষেত্ৰত এনআৰচি সেৱা কেন্দ্ৰ (এন এছ কে)ৰ পৰা পৰীক্ষণকাৰী দল আবেদনকাৰীসকলৰ বসতি স্থানলৈ যাওঁতে আবেদনকাৰীসকলে সন্দেহ দূৰীকৰণ আৰু স্পষ্টীকৰণৰ বাবে পৰ্য্যাপ্ত সুযোগ পাব।

৪। পুনঃ পৰীক্ষণৰ এই প্ৰক্ৰিয়া ডিচেম্বৰ ২০১৭ ৰ প্ৰথম সপ্তাহৰ পৰা আৰম্ভ হ'ব আৰু এন এছ কে / গাওঁবুঢ়া / ক্ষেত্ৰ পৰ্য্যায়ৰ বিষয়া (এফএলঅ')সকলৰ ওচৰত পুনঃ পৰীক্ষণৰ সূচী থাকিব।

৫। আবেদনকাৰীৰ যিবোৰ নথিপত্ৰ বা বিৱৰণৰ পুনঃ পৰীক্ষণৰ প্ৰয়োজন হ'ব সেইবোৰৰ বিৱৰণ পৰীক্ষণকাৰীৰ দলে আবেদনকাৰীক লিখিতভাৱে জনাব।

৬। আবেদনকাৰীয়ে পৰীক্ষণকাৰীৰ দলক পুনঃ পৰীক্ষণৰ বাবে নথিপত্ৰসমূহৰ মূল কপি দেখুৱাব লগা হ'ব পাৰে কিন্তু পৰীক্ষণকাৰীৰ দল বা এনআৰচি কৰ্তৃপক্ষই এই মূল নথিপত্ৰসমূহ লগত লৈ নাযায়।

৭। নাগৰিকপঞ্জীত প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ নাম অন্তৰ্ভুক্ত হোৱা আৰু অবৈধ প্ৰব্ৰজনকাৰীসকলৰ নাম অন্তৰ্ভুক্ত নোহোৱাটো নিশ্চিত কৰিবলৈ ৰাইজৰ আন্তৰিক সহযোগিতা অপৰিহাৰ্য্য।

৮। এই প্ৰক্ৰিয়াত কোনো হাৰাশাস্তিৰ সন্মুখীন হ'লে ৰাইজক তেওঁলোকৰ সংশ্লিষ্ট এন এছ কেৰ নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়ক (এলআৰচিআৰ) বা ৰাজহ চক্ৰ বিষয়া বা উপায়ুক্তৰ ওচৰত অভিযোগ দাখিল কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

৯। জনসাধাৰণক কোনো দুষ্টচক্ৰৰ দ্বাৰা প্ৰচাৰিত উৰা বাতৰি বা অপপ্ৰচাৰত কাণ নিদিবলৈ অনুৰোধ জনোৱা হ'ল। **সকলো প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম নিশ্চিতভাৱে নাগৰিকপঞ্জীত সন্নিবিষ্ট হ'ব।**

১০। এই সংক্ৰান্তত কিবা জানিবলগীয়া থাকিলে ঃ

- সংশ্লিষ্ট এনআৰচি সেৱা কেন্দ্ৰ (এন এছ কে) বা ৰাজহ চক্ৰ বিষয়া আৰু নাগৰিক পঞ্জীয়নৰ চক্ৰ পঞ্জীয়ক (চি আৰ চি আৰ) বা জিলা উপায়ুক্ত আৰু নাগৰিক পঞ্জীয়নৰ জিলা পঞ্জীয়ক (ডি আৰ চি আৰ)ৰ লগত যোগাযোগ কৰিব পাৰে।
- এনআৰচিৰ ২৪×৭ টোল ফ্ৰী হেল্পলাইন নম্বৰ **১৫১০৭** (অসমৰ বাবে) আৰু **১৮০০৩৪৫৩৭৬২** নম্বৰত (অসমৰ বাহিৰৰ পৰা) ফোন কৰিব পাৰে।
- আমাৰ ৱেবচাইট **www.nrcassam.nic.in** চাব পাৰে আৰু 'কমপ্লেইন্টচ্ এণ্ড ফিডবেক্' পৃষ্ঠাৰ ওপৰত ক্লিক কৰি আপোনাৰ অভিযোগ পঞ্জীয়ন কৰিব পাৰে।

Exclusive/NRC-Assam/11-17_02

*জনহিতাৰ্থে প্ৰচাৰিত*

**ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসম চৰকাৰ**
**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

*বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে*

আমাৰ টোল ফ্ৰী হেল্পলাইন নম্বৰ
১৫১০৭ (15107)

আমাৰ ৱেবচাইট
www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত চাওঁক